# 2018

## ASSAMESE

## ( Modern Indian Language )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। *এটা* শব্দ বা বাক্যত উত্তৰ দিয়া : ১×১০=১০

(ক) অসমীয়া নাট্যসাহিত্যৰ জনক কোন?

(খ) 'অৰিষ্ট' কোন আছিল?

(গ) 'উৎপাড়ে' মানে কি?

(ঘ) ভাবিৰামৰ মাকৰ নাম কি আছিল?

(ঙ) ঔগুৰি বাগিচাৰ বৰ চাহাবৰ নাম কি আছিল?

(চ) আজান ফকিৰে উজনিৰ কোন ঠাইত নিগাজিকৈ বাস কৰিছিল?

(ছ) আজান ফকিৰৰ আচল নাম কি আছিল?

(জ) বদৰ কোনখন ঠাইৰ প্ৰজা আছিল?

(ঝ) বিজুলীৰ দেউতাকে কলেজত কি চাকৰি কৰিছিল ?

(ঞ) বিজুলীক দেখাৰ লগে লগে মনোহৰৰ কালৈ মনত পৰিছিল ?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) শংকৰদেৱে কোন গ্ৰন্থৰ কাহিনীভাগক আধাৰ কৰি 'কালিয় দমন' নাটখন ৰচনা কৰিছে ?

(খ) ভাবিৰামে কিয় চাকৰি এৰিব লগা হৈছিল ?

(গ) আজান ফকিৰৰ বিৰুদ্ধে ষড়যন্ত্ৰত লিপ্ত হোৱা আহোম ৰাজবিষয়া দুজনৰ নাম কি কি ?

(ঘ) স্বৰ্গদেৱৰ আদেশমৰ্মে আজান ফকিৰৰ চকু কাঢ়িবলৈ কোন ৰাজবিষয়া তেওঁৰ ওচৰলৈ গৈছিল ?

(ঙ) মনোহৰে জীয়েক মালিনীক অতি ওচৰতে পোৱাৰ পাছতো কিয় চাবলৈ সক্ষম নহ'ল ?

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ কৰা : ৫×৪=২০

(ক) অংকীয়া নাটকত সূত্ৰধাৰৰ ভূমিকা কি ?

(খ) 'কালিয় দমন' নাটখনত দুটা ঘটনা কিদৰে ৰূপায়িত হৈছে ?

(গ) 'মাকৰী মেম'ৰ চাৰিত্ৰিক বৈশিষ্ট্য কেনেকুৱা ?

(ঘ) "মিছাৰ আলি, ফুট ছাইৰ দৰে, ছাইৰ আলি বান্ধি কি কৈ বগাবি, বৰষুণৰ টোপালত ভাগে" বুলি আজান ফকিৰে কিয় ক'ব লগা হৈছিল ?

(ঙ) "যুদ্ধত লাগি থাকোঁতে অভ্যাস হৈ গৈছে, য'তে থাকোঁ ত'তে অন্ততঃ দুটা ৰাস্তা মুকলি ৰাখিব লাগে।" সংলাপটিৰ বক্তাই কাক, কিয় তেনেদৰে কৈছিল ?

৪। (ক) 'কালিয় দমন' নাটৰ মাধ্যমেৰে শংকৰদেৱৰ নাট্য-প্ৰতিভা বিশ্লেষণ কৰা। ১০

*অথবা*

(খ) 'কালিয় দমন' নাটখনত শ্ৰীকৃষ্ণৰ ঐশ্বৰিক মহিমা কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ১০

৫। (ক) 'শৰাগুৰি চাপৰি' নাটকখনৰ কাহিনীভাগৰ লগত অসম বুৰঞ্জীৰ ঘটনাপ্ৰবাহৰ কিমান মিল আছে, বিচাৰ কৰা। ১০

*অথবা*

(খ) 'শৰাগুৰি চাপৰি' নাটকখনৰ কেন্দ্ৰীয় নাৰী চৰিত্ৰটোৰ সবল দিশসমূহ দাঙি ধৰি এটি আলোচনা আগবঢ়োৱা। ১০

৬। (ক) ধেমেলীয়া নাটক হিচাপে দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱাৰ 'মহৰী' নাটখনৰ এটি আলোচনা দাঙি ধৰা। ১০

*অথবা*

(খ) 'মহৰী' নাটত ভাবিৰাম আৰু মাকৰী মেম নামৰ চৰিত্ৰ দুটিৰ কাৰ্যকলাপক নাট্যকাৰে কেনেদৰে প্ৰকাশ কৰিছে, আলোচনা কৰা। ১০

৭। (ক) একাংকিকা নাট হিচাপে 'এজাক জোনাকীৰ জিলমিল' নাটখনিৰ এটি চমু আলোচনা আগবঢ়োৱা। ১০

*অথবা*

(খ) 'এজাক জোনাকীৰ জিলমিল' নাটখনিৰ ভাস্কৰ চৰিত্ৰটোৰ মাজেদি কৰ্মনিষ্ঠা, দূৰদৰ্শিতা আৰু কঠোৰ মনোভংগী কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ১০

★★★